**Lang. Code : 03**

इस पुस्तिका में **20** पृष्ठ हैं ।

This booklet contains **20** pages.

# AAT-20-I

**प्रश्न-पत्र I / PAPER I**

**असमी भाषा परिशिष्ट**

**Assamese Language Supplement**

**भाग IV & V / PART IV & V**

परीक्षा पुस्तिका संकेत
**Test Booklet Code**

**I**

परीक्षा पुस्तिका संख्या
**Test Booklet No.**

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए ।**

**Do not open this Test Booklet until you are asked to do so.**

**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20)पर दिए निर्देशों को ध्यान से पढ़ें ।**

**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**

**असमी में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें । / For instructions in Assamese see Page 2 of this Booklet.**

## परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो या तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमी** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं** ।
2. परीक्षार्थी भाग I, II, III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से ।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं । भाषा परिशिष्टों को आप अलग से माँग सकते हैं ।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर पत्र पर निशान लगाने के लिए **केवल काले/नीले बॉल पॉइंट पेन** का प्रयोग करें ।
5. इस भाषा पुस्तिका का **संकेत** है **I**। यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, उत्तर पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है । अगर यह भिन्न हो तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, जो प्रत्येक 1 अंक का है :
   भाग-IV : भाषा I - (असमी) (प्र. 91 से प्र. 120)
   भाग-V : भाषा II - (असमी) (प्र. 121 से प्र. 150)
7. भाग-IV में भाषा-I के लिए 30 प्रश्न और भाग-V में भाषा-II के लिए 30 प्रश्न दिए गए हैं । इस परीक्षा पुस्तिका में केवल असमी भाषा से संबंधित प्रश्न दिए गए हैं । **यदि भाषा-I और/या भाषा-II में आपके द्वारा चुनी गई भाषा(एँ) असमी के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए । जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए ।**
8. **परीक्षार्थी भाग-V (भाषा-II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा I (भाग-IV) में चुनी गई भाषा से भिन्न हो ।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें ।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें । अपने उत्तर ध्यानपूर्वक अंकित करें । उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है ।

## *INSTRUCTIONS FOR CANDIDATES*

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Parts I, II, III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Black/Blue Ball Point Pen only** for writing particulars on this page / marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **I**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective Type Questions, each carrying 1 mark :
   Part-IV : Language I - (Assamese) (Q. 91 to Q. 120)
   Part-V : Language II - (Assamese) (Q. 121 to Q. 150)
7. Part-IV contains 30 questions for Language-I and Part-V contains 30 questions for Language-II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language/s you have opted for as Language-I and/or Language-II is a Language other than Assamese, please ask for a Test Booklet that contains questions on that language. The language being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part -V (Language-II) in a language other than the one chosen as Language-I (in Part-IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) : ____________________
Name of the Candidate (in Capitals) :

अनुक्रमांक : (अंकों में) ____________________
Roll Number : in figures

: (शब्दों में) ____________________
: in words

परीक्षा केन्द्र (बड़े अक्षरों में) : ____________________
Centre of Examination (in Capitals) :

परीक्षार्थी के हस्ताक्षर : ____________ निरीक्षक के हस्ताक्षर : ____________
Candidate's Signature : Invigilator's Signature :

Facsimile signature stamp of
Centre Superintendent ____________________

**I**

**Lang. Code : 03**

এই পৰীক্ষা বহীত 20টা পৃষ্ঠা আছে

# AAT-20-I

**কাকত I**

**অসমীয়া ভাষা**

**খণ্ড IV & V**

পৰীক্ষা বহীখনৰ কোড

**I**

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা ।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া ।**

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা*** :

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যি **অসমীয়া** ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে । কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব ।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষা বহীৰ পৰা I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব ।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ সৈতে দিয়া হৈছে । ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব ।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/কালা বল পেন** ব্যৱহাৰ কৰি'বাঁ ।
5. এইখন ভাষা বহীৰ কোড হ'ল **I**. এইটো নিশ্চিত কৰা যে উত্তৰ বহীৰ **দ্বিতীয় পিঠি**, মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে । পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই লব ।
6. এই পৰীক্ষণ বহীৰ দুটা খণ্ড - চতুৰ্থ আৰু পঞ্চম ইয়াত **60**টা চমুধৰণৰ প্ৰশ্ন আছে । প্ৰত্যেক প্ৰশ্নতে ১ নম্বৰকৈ দিয়া হৈছে :

   খণ্ড IV : ভাষা I — (অসমীয়া) *(প্ৰশ্ন 91 ৰ পৰা প্ৰশ্ন 120 লৈ)*

   খণ্ড V : ভাষা II — (অসমীয়া) *(প্ৰশ্ন 121 ৰ পৰা প্ৰশ্ন 150 লৈ)*
7. খণ্ড IV তো ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে । এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে । **ভাষাৰ ক্ষেত্ৰত যদি ভাষা I অথবা ভাষা II অসমীয়াত বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ বহী খুজি ল'বা । তোমাৰ প্ৰপত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা ।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড V ৰ (ভাষা II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড IV (ভাষা I) ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব ।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব ।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ কাকততহে লিপিবদ্ধ কৰিব লাগিব । তোমাৰ উত্তৰবোৰ সযত্নে কৰা । উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা ।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ______________________

ৰোল নম্বৰ : সংখ্যাৰে : ______________________

: আখৰেৰে : ______________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ______________________

প্ৰাৰ্থীৰ চহী : ______________ নিৰীক্ষকৰ চহী : ______________

Facsimile signature stamp of

Centre Superintendent ______________________

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো ভাষা **- I (Language-I)** – হিচাপে লৈছে, তেনেহ'লে **Part-IV**-ৰ (প্ৰশ্ন নং **91**-ৰ পৰা **120** লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-IV (Q.No. 91-120)**, if they have opted **ASSAMESE** as **Language-I** only.

**Part – IV / ভাগ – IV**

**Language – I / ভাষা – I**

**Assamese / অসমীয়া**

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা - I (Language-I)** – হিচাপে লৈছে, তেনেহ'লে **Part-IV**-ৰ **(প্ৰশ্ন নং 91-ৰ পৰা 120 লৈ)** উত্তৰ কৰিব।

নিৰ্দেশ :

**তলত দিয়া ৰছনাখণ্ড মনোযোগেৰে পঢ়ি তাৰ তলত দিয়া বৈকল্পিক উত্তৰৰ প্ৰশ্নসমূহৰ (প্ৰশ্ন নং 91-ৰ পৰা 99 লৈ) আটাইতকৈ শুদ্ধ উত্তৰটো নিৰ্বাচন কৰঁা।**

আমাৰ গাঁওখন আছিল অলপ এঢলীয়া ভূমিত। ব্লাপছাৰ পাহাৰৰ পৰা আহি অলপ সমতল ভূমিত ক্ৰমান্বয়ে উত্তৰ ফালে হেলনীয়া হৈ। সেই হেলনীয়া হৈ থকা ভূমিৰ একেবাৰে তলত, উত্তৰ দিশত থকা ঘৰখনেই আছিল আমাৰ ঘৰ। আমাৰ ঘৰৰ পৰা আৰম্ভ হৈছে সমতল ভূমিৰ খেতিৰ পথাৰ। আমাৰ খেতিৰ পথাৰৰ পৰা এক খলপা নামি আকৌ যি খেতিৰ পথাৰ আৰম্ভ হয় তাৰ কাষেদি বৈ গৈছে দোফোলো নদী। দোফোলো নদীৰ কাষে কাষে কাঁইটীয়া জাবৰাং আৰু অন্য ৰহুতো কাঁইটীয়া ফল গছৰ হাবিয়নি। নদীৰ গাতে লাগি উত্তৰফালে থিয় হৈ আছে গগন চুম্বি জাংগু পাহাৰ। আমাৰ গাঁৱৰ পূব দিশত চিপিক পাহাৰ, দক্ষিণত ব্লাপছাৰ, পশ্চিমত বিলু আৰু উত্তৰত আগত উল্লেখ কৰা জাংগু লু। চাৰিওফালে ওখ ওখ পাহাৰেৰে পৰিৱেষ্টিত সৰু দোফোলো উপত্যকাত অৱস্থিত আমাৰ সৰু গাঁওখন, যাৰ চৰকাৰী নাম হ'ল জীগাঁও, আমি নিজে যাক কওঁ জগং বুলি। আমাৰ গাঁওখন ভৌগোলিকভাৱে সাগৰপৃষ্ঠৰ পৰা পাঁচ-ছয় হাজাৰ ফুট ওখত আৰু পাত সৰা অঞ্চলত অৱস্থিত। গতিকে গাঁওখন আবৃত কৰি থকা হাবিবিলাক ডাঠ হাবি নহৈ সেৰেঙা হাবি। সৰল গছ, হিংপু আৰু হিংমো নামৰ দুবিধ ওক গছ, ৰিলো গছ, নানা জাতৰ ৰডোড্ৰেনদোন গছ পোপলাৰ আৰু ৰিপিং ৰিলো গছ আৰু বহুতো গছ যাৰ নাম অসমীয়াত বোধকৰো পাবলৈ নাই, তেনে গছেৰে আবৃত আমাৰ গাঁৱৰ পাহাৰ-পৰ্বতবোৰ। বছৰৰ চাৰি ঋতুত আমাৰ গাঁৱৰ প্ৰকৃতিয়ে দেখাদেখিভাৱে চাৰিবাৰ ৰূপ সলনি কৰে। তেনেদৰে প্ৰকৃতিৰ লগত ৰূপ সলনি কৰা ঠাই মই আৰু ক'তো ভালদৰে দেখা নাই। বাৰিষা বা গ্ৰীষ্ম ঋতুত আমাৰ পাহাৰৰ ঠাইখন হৈ থকা ভয়ংকৰ ৰূপ ধাৰণ কৰি। আমাৰ মানুহৰ ভাষাত ছাক অদোক খো অদোক; অৰ্থাৎ বিপদসংকুল পাহাৰ, বিপদসংকুল নদী। সেৰেঙা হাবি হ'লেও তাৰ তল ভৰি গজি থাকে নানা কাঁইটীয়া বন, পিছৰ শিল। নদীবোৰ দোকুলটকা হৈ ওভন্দি উঠি ইপাৰ-সিপাৰ কৰিব নোৱাৰা হয়। সঘনাই অহা বাঢ়নি পানীয়ে তৰ্জন-গৰ্জন কৰি খৰস্ৰোতাৰে বৈ থাকে আৰু মাজে মাজে গৰু, ঘোঁৰা, মানুহ উটুৱাই নিয়ে। দোপালপিতা বৰষুণত মাটি খহি বাট-পথ বন্ধ হৈ পৰে আৰু গাঁওলৈ বাহিৰৰ পৰা মানুহ অহা বন্ধ হৈ পৰে। এনেকুৱা বিপদক নেওচি কিন্তু গাঁওৰ মানুহবোৰে ইটোৰ পাছত সিটো খেতি কৰি যাব

লগাত পৰে । শৰৎ কাল আহিলেই পাহাৰ ভৰি থকা হিংপু গছবোৰে, গছৰ তলত গজি থকা ঢেঁকীয়া আৰু নানা বৰণীয়া ফুল ভৰি থকা হিংপু গছবোৰে, গছৰ তলত গজি থকা ঢেঁকীয়াৰ আৰু নানা বৰণীয়া ফুল ভৰি থকা ঘাঁহ-বনবিলাকে সেউজীয়া সাজ সলাই পৰিধান কৰিবলৈ লয় ৰঙা আৰু সোণালী সাজ । ঠিক যেনেদৰে অসমৰ পথাৰবিলাক সেউজীয়া ধাননিবিলাক সোণবুলীয়া হৈ পৰে তেনেদৰে । ঘৰৰ কাষৰ পথৰবিলাকত থকা মাকৈ, মাৰুৱা, কণীধান আদি শস্যবিলাক চপাই লোৱাৰ পাছত পথাৰবিলাক ভৰি পৰে দূৰৈৰ খুঁটিৰ পৰা গাঁৰলৈ ওভতাই লৈ অন্য গৰু, ঘোঁৰা আদি ঘৰচীয়া জন্তুৰে । অৱশ্যে আজিকালি মানুহবিলাকে আগৰ দৰে মাকৈ, কণীধান আদি শস্য লগাবলৈ এৰি দিয়াৰ লগতে গ্ৰীষ্মকালত খুঁটিত গৰু আদি ৰখা প্ৰথা উঠি যোৱাত পাহাৰৰ খুঁটিৰ পৰা গৰু, ঘোঁৰাবিলাক উভতি আহি পথাৰত মাকৈৰ নৰা খাই চৰি ফুৰা দৃশ্য দেখিবলৈ নাইকিয়া হৈ পৰিল । শৰৎ কালত সোণালী বৰণ লোৱা হিংপু গছৰ লগতে কিছুমান গছৰ পাতবিলাক শীতকাল অহাৰ লগে লগে সৰি পৰি গছবিলাক হৈ পৰে লণ্ঠা, নাঙঠ ।

**91. তলত উল্লেখ কৰা গছবোৰৰ ভিতৰত দুবিধ ওক গছ হৈছে –**

(1) ৰডোড্ৰেনদোন আৰু পোপলাৰ

(2) ৰিপিং ৰিলো আৰু পোপলাৰ

(3) সৰল আৰু ৰডোড্ৰেনদোন

(4) হিংপু আৰু হিংমো

**92. সাগৰপৃষ্ঠৰ পৰা পাঁচ-ছয় হাজাৰ ফুট ওপৰত অৱস্থিত পাহাৰীয়া গাঁওখনৰ নাম –**

(1) জগং

(2) ব্লাপছাৰ

(3) জাংগু

(4) বিলু

**93. "... শস্যবিলাক চপাই লোৱাৰ পাছত পথাৰবিলাক ভৰি পৰে দূৰৈ খুঁটিৰ পৰা গাঁৰলৈ ওভতাই অনা ঘৰচীয়া জন্তুৰে ।" – উদ্ধৃত বাক্যটোৰ ৰেখাংকিত শব্দটো হৈছে –**

(1) তদ্ধিত প্ৰত্যয়

(2) স্ত্ৰী প্ৰত্যয়

(3) কৰ্মধাৰয় সমাস

(4) ব্যঞ্জন সন্ধি

**94. তলত উল্লেখ কৰা শব্দকেইটোৰ কোনটো জঁতুৱা ঠাচৰ উদাহৰণ ?**

(1) বিপদসংকুল

(2) তৰ্জন-গৰ্জন

(3) সোণবুলীয়া

(4) লঠঙা

**95. দোফোলা উপত্যকাত অৱস্থিত জগং বা জীগাঁৰৰ পূব দিশত থকা পাহাৰটোৰ হৈছে –**

(1) ব্লাপাছাৰ

(2) চিপিক

(3) বিলু

(4) জাংগু লু

96. 'পৰিধান' শব্দটোৰ অৰ্থ হৈছে –

(1) পোছাক বা পিন্ধা

(2) এবিধ ধান

(3) প্ৰধান

(4) অস্ত্ৰ-শস্ত্ৰ

97. **লেখকৰ গাঁৱৰ মানহবোৱে আগৰদৰে কি কৰিবলৈ এৰি দিয়া বুলি উল্লেখ কৰিছে ?**

(1) মাকৈ, কনীধান আদি শস্য লগাবলৈ

(2) গৰু, ঘোঁৰা আদি ঘৰচীয়া জন্তু পুহিবলৈ

(3) মাকৈ, কনীধান আদি খাবলৈ

(4) বাৰিষা বা গ্ৰীষ্ম ঋতুত নদী পাৰ কৰি যাত্ৰা কৰিবলৈ

98. **লেখকৰ মাতৃভাষাত 'ছাক অদোক খো অদোক'-ৰ অৰ্থ হৈছে -**

(1) দোকোলটকা নদী

(2) বিপদসংকুল পাহাৰ, বিপদসংকুল নদী

(3) কাঁইটীয়া বন, পিছল শিল

(4) সেৰেঙা হাবি, কাঁইটীয়া বন

99. **লেখকৰ গাঁওখনৰ অৱস্থিতি সম্পৰ্কে তলত দিয়া কোনটো উক্তি শুদ্ধ নহয় ?**

(1) গাঁওখন পাত সৰা অঞ্চলত অৱস্থিত

(2) গাঁওখন ওখ ওখ পাহাৰেৰে পৰিৱেষ্টিত

(3) দুখন নদী গাঁওখনৰ মাজেৰে বৈ গৈছে

(4) গাঁওখন অল্প এঢলীয়া ভূমিত অৱস্থিত

**নিৰ্দেশ : নিম্নোদ্ধৃত পদ্য/পদ্যাংশৰ তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং 100 ৰ পৰা 105 লৈ) আটাইতকৈ উপযুক্ত বিকল্পটো বাচি উলিওৱাঁ।**

আৰুনো কিমান দিয়া বেদনাৰ বোজা,
হে মোৰ হৃদয়-দেৱতা ?
কৰুণ ৰোদন তুলি ভাঙি দিলা কিয়
প্ৰাণৰ নিবিড় নীৰৱতা ?

জীৱনৰ সন্ধিক্ষণ বিয়লি বেলাত
হিয়া ধুনি উঠে কোলাহল;
আৰু কিয় তিক্ত ব্যথা ৰিক্ত হৃদয়ত
ঢালি দিলা তীব্ৰ হলাহল ?

কোন কাহানিয়ে তুমি হৰি নিছা মোৰ
প্ৰীতিভৰা প্ৰণয়ৰ লাৰু,
অন্তৰ্দাহী ৰাৱণৰ চিতা-জুইকুৰা
কোনদিনা নুমাবনো আৰু ?

আনন্দৰ পূৰ্ণপাত্ৰ শূন্য আজি মোৰ
কেউপিনে দেখোঁ হাহাকাৰ -
দাবাগ্নিৰ দহনৰ দেৱদাৰু তৰু
পুৰি-দেই হ'ল ছাৰখাৰ !

মাৰিছিলা শক্তি-শেল তাহানি যিপাত
যোৰা নাই সি বিষ জামৰি,
বেদনাৰ যত অস্ত্ৰ কৰিছা প্ৰয়োগ
বুকু পাতি লইছো সামৰি।

100. 'হলাহল' শব্দটোৰ সমাৰ্থসূচক শব্দটো হৈছে –

(1) অমৃত

(2) গৰল

(3) জোলোকা-জোলোকে

(4) নীলকণ্ঠ

101. কবিয়ে কিহৰ বিষ এতিয়াও উপশম হোৱা নাই বুলি কৈছে ?

(1) তীব্ৰ বিষ পানৰ বিষ

(2) বেদনাৰ অস্ত্ৰৰ আঘাতৰ বিষ

(3) দাবাগ্নি দহনৰ বিষ

(4) শক্তিশেলৰ বিষ

102. কবিয়ে কি বুকু পাতি সামৰি লৈছে ?

(1) বেদনাৰ সকলো অস্ত্ৰৰ আঘাত

(2) শক্তিশেলৰ আঘাত

(3) দাবাগ্নিৰ দহন

(4) শূন্যতাৰ সকলো হাহাকাৰ

103. "আৰু কিয় তিক্ত ব্যথা ৰিক্ত হৃদয়ত/ঢালি দিলা তীব্ৰ হলাহল"

উদ্ধৃত শাৰীটোত কবিতাৰ কি কাব্যিক উপাদানৰ প্ৰয়োগ হৈছে ?

(1) উপমা (2) চিত্ৰকল্প

(3) ৰূপক (4) অনুপ্ৰাস

104. কবিৰ 'হিয়া ধুনি' কেতিয়া কোলাহল উঠিছিল ?

(1) কবিৰ জীৱনৰ বিয়লি বেলাত

(2) আবেলি পৰত

(3) দিন আৰু ৰাতিৰ সন্ধিক্ষণত

(4) কবিৰ হৃদয় ভংগ হোৱাৰ পৰত

105. কবিৰ 'প্ৰাণৰ নিবিড় নীৰৱতা' কোনে ভাঙি দিছিল ?

(1) কবিৰ নিংসগতাই

(2) কাৰুণ্য আৰু হতাশাই

(3) হিয়া ধুনি উঠা কোলাহলে

(4) কবিৰ হৃদয়-দেৱতাই

**Directions :** Answer the following questions by selecting the **most appropriate** options.

106. ব্যাকৰণ শিকোৱাৰ এটা ফলপ্ৰসূ পদ্ধতি বা উপায় হৈছে –

(1) উদাহৰণেৰে সৈতে ব্যাকৰণৰ নিয়মবোৰ শিকোৱা

(2) পাঠ এটা অনুবাদ কৰাৰ লগে লগে ব্যাকৰণৰ নিয়মবোৰ শিকোৱা

(3) নিৰ্দিষ্ট ব্যাকৰণৰ কিতাপৰ পৰা ব্যাকৰণৰ নিয়ম শিকোৱা

(4) ব্যাকৰণৰ নিয়মবোৰ বিচাৰি উলিয়াব পৰাকৈ প্ৰসংগ অনুসৰি ব্যাকৰণ শিকোৱা

107. ‘সামাজিক আদান-প্ৰদান’-ৰ ধাৰণাটো নিম্নোক্ত কোনজনৰ সৈতে সম্পৰ্কিত ?

(1) পানিনি

(2) স্কিনাৰ

(3) ৱাইগটস্কী

(4) ক’লবাৰ্গ

108. তলত উল্লেখ কৰা কোনটোৱে শিশু এটাৰ ভাষা আহৰণ কৰাত সহায় কৰে ?

(1) শিশুটোৱে বেছিকৈ কথা কোৱাৰ অনুমতি নোপোৱা ঘৰুৱা পৰিৱেশ এটা

(2) ঘৰ আৰু ঘৰৰ আশে-পাশে ডাঙৰে কথা পতা শুনা

(3) শিশুটোক শুদ্ধ বাক্য আঁওৰাবলৈ দিয়া

(4) আন শিশুৰ সৈতে শিশুটোক খেলিবলৈ দিয়া

109. কেনেধৰণৰ পৰিৱেশত শিশুৱে স্বাভাৱিকভাবে ভাষা আহৰণ কৰে ?

(1) এটা সময়ত কেৱল এটা ভাষাৰ সৈতে শিশুটোক পৰিচয় কৰালে

(2) আশ-পাশৰ নিকট পৰিৱেশৰ এটাতকৈ অধিক পৰিৱেশৰ সৈতে শিশুটোক পৰিচয় কৰালে

(3) বিশেষতঃ বৈদ্যুতিন আৰু ছপা মাধ্যমৰ পৰিৱেশত

(4) ভাষা এটাৰ গঠন শিকালে

110. পাঠ এটা পঢ়াৰ ক্ষেত্ৰত তলত দিয়া কোনটো আটাইতকৈ গুৰুত্বপূৰ্ণ ?

(1) পাঠটোত থকা প্ৰতিটো শব্দ পঢ়া

(2) যতিচিহ্নবোৰত মনোযোগ দিয়া

(3) লিখিত পাঠটোত অৰ্থ বুজি পোৱা

(4) শুদ্ধ উচ্চাৰণৰ সৈতে পাঠটো ডাঙৰকৈ পঢ়া

111. তলত উল্লেখ কৰা কোনটো ভাষা শিক্ষনৰ উদ্দেশ্য নহয় ?

(1) বোধগম্য হোৱাকৈ পঢ়িব পৰা হোৱা

(2) গুৰুত্বৰ সৈতে বা কষ্ট কৰি ধাৰণাৰ প্ৰকাশ

(3) শুনাখিনি বুজি পোৱা হোৱা

(4) যুক্তিসংগত লিখনৰ বিকাশ

112. নিম্নলিখিত কোনটোৰ সৈতে ধ্বনিত্বাত্তিক সজাগতা অতি বেছিকৈ সম্পৰ্কিত ?

(1) শ্ৰৱণ ক্ষমতা

(2) কথন ক্ষমতা

(3) পঠন ক্ষমতা

(4) লিখন ক্ষমতা

113. নৌম চমস্কীয় বিশ্বাস কৰে যে, শিশুৱে ভাষা _______ কৰাৰ এক জন্মগত ক্ষমতা থাকে।

(1) আহৰণ

(2) অনুকৰণ

(3) পৰিৱৰ্তন

(4) অনুবাদ

**114.** **ভাষা দক্ষতা কেনেদৰে শিকোৱা উচিত ?**

(1) অনুকৰণৰ দ্বাৰা

(2) একাকীত্বত

(3) পুংখানুপুংখ বিৱৰণ তথা ব্যাখ্যাৰ জৰিয়তে

(4) সংগঠিত ধৰণেৰে

**115.** **এগৰাকী শিক্ষকে ন-শিকাৰুক ছবি আঁকি ৰং কৰিবলৈ উৎসাহিত কৰিছে। এইক্ষেত্ৰত শিক্ষক গৰাকীয়ে __________**

(1) শ্ৰেণীকোঠাটো নীৰব হৈ থাকিবৰ কাৰণে ন-শিকাৰুহঁতক ব্যস্ত ৰাখিছে

(2) ন-শিকাৰুহঁতৰ সূক্ষ্ম 'মটৰ ক্ষমতা' (motor skill)-ৰ বিকাশ কৰিছে

(3) উদীয়মান শিশুশিল্পীক সুযোগ দিছে

(4) সাধাৰণভাৱে শিকাৰুক কাৰ্য এটাত জৰিত কৰিছে

**116.** **তলত উল্লেখ কৰা অনুশীলনবোৰৰ কোনটোৱে মৌখিক ভাষা দক্ষতা বৃদ্ধিত আটাইতকৈ বেছিকৈ সহায় কৰে ?**

(1) এককভাবে আৰু সমবেতভাবে কবিতা আবৃত্তি কৰে

(2) চৰিত্ৰ ৰূপায়নৰ খেল বা নাটক (role play) ত অংশগ্ৰহণ কৰা

(3) শিক্ষকৰ লগে লগে সমবেত স্বৰত পাঠ্যপুথিৰ পাঠ এটা আওৱোৱাঁ

(4) শিক্ষকৰ লগে লগে শব্দবোৰৰ শুদ্ধ উচ্চাৰণ সমবেত স্বৰত অনুশীলন কৰা

**117.** **তৃতীয় শ্ৰেণীৰ শ্ৰেণীকোঠাত এগৰাকী শিক্ষকে শিক্ষাৰ্থীসকলক পাঠ এটাত থকা সাধু এটা উপযুক্ত ক্ৰম অনুসাৰে সজাবলৈ দিছে । শিক্ষকগৰাকীৰ এই কাৰ্যই শিক্ষাথীৰ ______ বৃদ্ধিত সহায় কৰে।**

(1) পঠন বোধগম্যতা

(2) বোধগম্য ইন্-পুট

(3) লিখন দক্ষতা

(4) শিক্ষাৰ্থীৰ কথন সময়

**118.** **এগৰাকী শিক্ষকে দ্বিতীয় মানৰ শ্ৰেণীকোঠাত বস্তু কিছুমানত লেবেল লগাইছে। শিক্ষকজনৰ এই কাৰ্যই ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃত বস্তুবোৰ আৰু লেবেলত লিখা নামবোৰ সম্পৰ্কিত কৰাত সহায় কৰিব। এই কাৰ্যটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ তলত দিয়া কোনটো সমৃদ্ধ হোৱাত সহায় কৰিব ?**

(1) ব্যাকৰণ (2) লিখন দক্ষতা

(3) শব্দ সম্ভাৰ (4) হস্তাক্ষৰ

**119.** **তলত দিয়া কোনটো শিশু এটাৰ ভাষা দক্ষতাৰ মূল্যায়নৰ ক্ষেত্ৰত কম ফলপ্ৰসূ ?**

(1) সাধু কথন

(2) সাধু লিখন

(3) ঘটনা এটাৰ বিৱৰণ দিয়া / কৰা

(4) শ্ৰুতলিপি

**120.** **শিকাৰুৰ ভাষা দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত তলত দিয়া প্ৰশ্ন বা কাৰ্যবোৰৰ ভিতৰত কোনটোৱে আটাইতকৈ সহায় কৰিব ?**

(1) তোমাৰ প্ৰিয় কিতাপবোৰৰ ভিতৰত এখনৰ নাম কোৱাঁ/লিখাঁ

(2) 'পছন্দ' শব্দটো ব্যৱহাৰ কৰি এটা বাক্য গঠন কৰাঁ

(3) তোমাৰ মাৰ সৈতে তোমাৰ কথোপকথন এটা লিখা

(4) তুমি পঢ়া কবিতা এটাৰ কবিগৰাকীৰ নাম কোৱাঁ/লিখাঁ

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা - II (Language-II)** – হিচাপে লৈছে, তেনেহ'লে **Part-V**-ৰ (**প্ৰশ্ন নং 121**-ৰ **পৰা 150** লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-V (Q.No. 121-150)**, if they have opted **ASSAMESE** as **Language-II** only.

**Part – V / ভাগ – V**
**Language – II / ভাষা – II**
**Assamese / অসমীয়া**

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো ভাষা **- II (Language-II)** – হিচাপে লৈছে, তেনেহ'লে **Part-V**-ৰ (**প্ৰশ্ন নং 121-ৰ পৰা 150 লৈ**) উত্তৰ কৰিব ।

**নিৰ্দেশ : তলত উদ্ধৃত কৰা দিয়া ৰছনাখণ্ড মনোযোগেৰে পঢ়া আৰু তাৰে পৰা দিয়া প্ৰশ্ন আঠোটাৰ (প্ৰশ্ন নং 121-ৰ পৰা 128 লৈ) আটাইতকৈ শুদ্ধ উত্তৰটো বিকল্পসমূহৰ মাজৰ পৰা নিৰ্বাচন কৰাঁ ।**

নেপালী সমাজত বছৰটোৰ আটাইতকৈ ডাঙৰ উৎসৱ হিচাপে দচৈ উৎসৱ পালন কৰা হয় । বিজয়া দশমীৰ দিনটোক কেন্দ্ৰ কৰিয়েই দচৈ শব্দৰ উৎপত্তি হৈছে যদিও এই উৎসৱ সাধাৰণতে আহিন আৰু কেতিয়াবা কাতি মাহৰ শুক্লপক্ষৰ প্ৰতিপদ তিথি (জমৰে আঁউসী) ৰপৰা আৰম্ভ হৈ পূৰ্ণিমা (কোজাগৰী পূৰ্ণিমা) ৰাতিলৈকে সমগ্ৰ পক্ষটোতে পালন কৰা দেখা যায় । সেয়ে দচৈক বড়া দচৈ বুলিও কোৱা হয় । দচৈ উৎসৱত মূলতঃ বিজয়া দশমী তিথিৰ পুৱাৰপৰা অমাৱস্যা তিথিলৈকে টিকো অৰ্থাৎ কপালত (চাউল আৰু দৈ গাখীৰ তৈয়াৰী মিশ্ৰিত দ্ৰব্য) লগোৱাৰ লগতে জ্যেষ্ঠজনক সেৱা কৰি আশীৰ্বাদ লোৱাৰ এক বিশেষ পৰ্ব পালন কৰা হয় । এই বিশেষ পৰ্বটোৰ বাবেই দৰাচলতে প্ৰস্তুতি চলে প্ৰতিপদ তিথিৰ আগৰ নিশা অৰ্থাৎ অমাৱস্যাৰ নিশাৰপৰা আৰু সেই দিনা নিশা এখন তপৰী (এক বিশেষ গছ পাতেৰে তৈয়াৰ কৰা কাঁহী)ত গুড়ি মাটি ভৰাই অলপ গোমধানৰ গুটি, তিল আৰু যৱ সিঁচি দিয়া হয় । যাক পঞ্চধান্য বোলে । প্ৰতিপদ তিথিৰপৰা নৱমী তিথিলৈকে ঘৰৰ গৃহস্থনীয়ে প্ৰতিদিনাই গা-পা ধুই পূজা পাতল কৰা কোঠাত থোৱা পঞ্চধান্য সিঁচা পাত্ৰটোত পানী ছটিয়ায় যাতে শস্যবোৰ নিৰ্দিষ্ট দিনৰ ভিতৰত গজালি মেলে । পঞ্চধান্যৰ পাত্ৰ ঘৰৰ চাৰিবেৰৰ বাহিৰত ৰ'দ পৰা ঠাইত থোৱা নহয় বাবে গজালিবোৰৰ ৰং শেতা হয় । এই গজালিবোৰক জমৰা বোলে । বিজয়া দশমী তিথিৰ পুৱা যেতিয়া দচৈ উৎসৱ আৰম্ভ হয়, তেতিয়া পোন প্ৰথমে ঘাই বাস গৃহৰ মূল দুৱাৰৰ ওপৰত চাউল, দৈ গাখীৰ বা কলেৰে তৈয়াৰী অচ্ছেতাৰে ঘাই গৰুৰ গোবৰ এচপৰা লেপি তাৰ ওপৰত টিকো আৰু জমৰা কেউডালমান গুজি দিয়ে । তাৰ পিছত মানুহে টিকো লগোৱা পৰ্বৰ্ শুভাৰম্ভ কৰে । পুতেক, বোৱাৰীয়েক, জীয়েক, নাতি-নাতিনী সকলোকে দেউতাক আৰু ককাদেউতাকে অচ্ছেতাৰে কপালত ফোঁট আৰু জমৰা কেউডালমান কাপত গুজি দি আশীৰ্বাদ দিয়ে আৰু এফাকি বচন মাতে । সতি সন্ততিয়ে পিতৃ-মাতৃ আৰু জ্যেষ্ঠ জনক সেৱা কৰাটো নেপালীসকলৰ বাধ্যতামূলক ঐতিহ্য । তদুপৰি দূৰ-দূৰণিৰপৰা জী-জোঁৱাইহঁতে লগত হাঁহ, ছাগলী, কুকুৰা, পিঠা আদি সুবিধা অনুসৰি বিভিন্ন সামগ্ৰী লৈ মাইতি (মাকৰ) ঘৰলৈ টিকোৰ লগতে আশৰ্বাদ ল'বলৈ অহাটোও নেপালী সংস্কৃতিৰ এই অবিচ্ছেদ্য অংগ । এই উৎসৱত প্ৰত্যেকে নতুন সাজ পৰিধান কৰে । আনহাতে, মংগোলীয় গোষ্ঠীৰ নেপালীলোকসকলে এই উৎসৱত গাহৰি, কুকুৰা বা ছাগলী মাংস আৰু চাউলেৰে তৈয়াৰী জাড় (লাওপানী) নাইবা গুড়ৰপৰা তৈয়াৰী ৰক্চি (চুলাই মদ) পান কৰাটো আৰু আলহীকো আগবঢ়োৱা প্ৰথা পৰম্পৰাগতভাৱে চলি আহিছে । বৰ্ণাঢ্য দচৈ উৎসৱৰ আন এটি লেখত ল'বলগীয়া অংশ হৈছে ঝুলনা খেলা যাক নেপালী ভাষাত লিংগেপিং বুলি কোৱা হয় । ষষ্ঠী তিথিৰপৰা পূৰ্ণিমা তিথিৰ নিশালৈকে নেপালী যুৱক-যুৱতীয়ে পৰম আনন্দেৰে লিংগেপিং খেলা খেলে । এই দিনটোত পুজা-পাতল আৰু ধৰ্মগ্ৰন্থ পাঠ কৰি গোটেই ৰাতি উজাগৰে থাকি প্ৰতিপদ তিথিৰপৰা ধুম-ধামেৰে পালন কৰা নেপালী জনগোষ্ঠীৰ আদৰৰ দচৈ উৎসৱক পূৰ্ণিমাৰ পিছদিনা পুৱা বিদায় দিয়ে ।

121. লিংগেপিক কি ?

(1) দচৈ উৎসৱৰ ঝুলনা খেলা

(2) দচৈ উৎসৱৰ কপালত তিলক লগোৱা

(3) পূজা-পাতল আৰু ধৰ্মগ্ৰন্থ পাঠ

(4) বাসগৃহৰ মূল দুৱাৰত গোবৰ লিপা

122. তলত উল্লেখ কৰাবোৰ কোনটো পাঞ্চধান্যৰ অন্তৰ্গত নহয় ?

(1) মাকৈ

(2) তিল

(3) মাটিমাহ

(4) যৱ

123. দচৈ উৎসৱত মংগোলীয় গোষ্ঠীৰ নেপালীসকলে ব্যৱহাৰ কৰা 'জাড়' কিহৰ পৰা তৈয়াৰ কৰা হয় ?

(1) গুড়ৰ পৰা

(2) চাউলৰ পৰা

(3) গোমধানৰ পৰা

(4) যৱধানৰ পৰা

124. 'জ্যেষ্ঠ' শব্দটোৰ বিপৰীতাৰ্থক শব্দটো হৈছে –

(1) বৃদ্ধ

(2) বয়সস্থ

(3) বয়োজ্যেষ্ঠ

(4) কনিষ্ঠ

125. "প্ৰতিপদ তিথিৰ পৰা নৱমী তিথিলৈকে ঘৰৰ গৃহস্থনীয়ে প্ৰতিদিনেই পাঞ্চধান্যৰ পাত্ৰত পানী ছটিয়ায়।"

উদ্ধৃত বাক্যটোত কিমানটা বিভক্তিৰ ব্যৱহাৰ হৈছে ?

(1) পাঁচটা

(2) ছটা

(3) সাতটা

(4) আঠটা

126. দচৈ উৎসৱৰ বিদায় পৰ্ব কোনদিনা হয় ?

(1) কাতিমাহৰ শুক্ল প্ৰতিপদ তিথিত

(2) আহিন মাহৰ শুক্ল প্ৰতিপদ তিথিত

(3) বিজয়া দশমীৰ দিনা

(4) পূৰ্ণিমাৰ পিছদিনা পুৱা

**127. দচৈ উৎসৱৰ কাৰণে সিচঁা মাকৈ, তিল, যৱ আদিৰ গঁজালিবোৰ কিয় শেতা বৰনৰ হয় ?**

(1) এইবোৰ সিচঁা পাত্ৰটো ৰ'দ নপৰা ঘৰৰ ভিতৰত ৰখা হয় কাৰণে

(2) দচৈ উৎসৱ শৰৎকালৰ উৎসৱ আৰু সেয়ে সেই সময় শস্য সেউজ হোৱাৰ সময় নহয়

(3) গঁজালিবোৰৰ স্বাভাৱিক বৰণ শেতা

(4) গঁজালিবোৰত দৈ আৰু গাখীৰ ছটিউৱা কাৰণে

**128. দচৈ উৎসৱত গোমধানৰ গুটি, তিল আৰু যৱ সিঁচি দিয়া বিশেষ কাঁহীখনক কি বুলি কোৱা হয় ?**

(1) থালি

(2) দচৈ কাঁহী

(3) পাঞ্চধান্য

(4) তপৰী

**নিৰ্দেশ : নিম্নোদ্ধৃত গদ্যাংশৰ তলত দিয়া প্ৰশ্নসমূহৰ (প্ৰশ্ন নং 129 ৰ পৰা 135 লৈ) আটাইতকৈ উপযুক্ত বিকল্প উত্তৰটো বাচি উলিওৱাঁ।**

বুদ্ধৰ সমসাময়িক ৰাজ্যবোৰৰ ভিতৰত মগধ আৰু কোসলৰ দিনকদিনে উন্নতি হৈ গৈছিল আৰু এই ৰাজ্য দুখনত সম্পূৰ্ণভাৱে একসত্তাত্মক শাসনপ্ৰণালী প্ৰতিষ্ঠিত হৈছিল। মগধৰ ৰজা বিম্বিসাৰ আৰু কোসলৰ ৰজা পসেনদি (প্ৰসেনজিৎ) অতিশয় উদাৰ আছিল, সেইবাবে তাৰ একসত্তাত্মক শাসন প্ৰণালী প্ৰজাৰ কাৰণে অতিশয় সুখকৰ হৈছিল। দুয়োজন ৰজাই যাগ-যজ্ঞত উৎসাহ দিছিল সঁচা। কিন্তু তেওঁলোকৰ ৰাজ্যত শ্ৰমণসকলৰ (পৰিব্ৰাজকসকলৰ) নিজৰ ধৰ্ম্মোপদেশ দিবলৈ সম্পূৰ্ণ স্বাধীনতা আছিল। অকল সেয়ে নহয়, বিম্বিসাৰ ৰজাই শ্ৰমণসকলৰ থকা-মেলাৰ সুবিধা কৰি দিও তেওঁলোকক উৎসাহ দিছিল। গৌতমে সন্ন্যাস গ্ৰহণ কৰি পোন পহিলতে ৰাজগৃহলৈ যোৱাত বিম্বিসাৰ ৰজাই পাণ্ডৱ পৰ্ব্বতলৈ গৈ তাতে গৌতমক নিজৰ সৈন্যবাহিনীত এটা উচ্চ পদ স্বীকাৰ কৰিবলৈ অনুৰোধ জনাইছিল। কিন্তু গৌতমে তপশ্চৰ্য্যা কৰিবলৈ যি সিদ্ধান্ত লৈছিল, তাতে অবিচলিত থাকিল। গয়াৰ ওচৰৰ উৰুৱেললৈ গৈ তেওঁ তপস্যা আৰম্ভ কৰিলে আৰু শেহত। তত্ত্ববোধৰ মধ্যম মাৰ্গৰ আবিষ্কাৰ কৰিলে। বাৰাণসীত প্ৰথমতে উপদেশ দিয়া পাঁচজন শিষ্যৰে সৈতে বুদ্ধভগৱানে ৰাজগৃহত পদাৰ্পণ কৰিলত বিম্বিসাৰ ৰজাই তেওঁ আৰু ভিক্ষু-সংঘৰ থকাৰ বাবে ৱেলুৱন (বেণুবন) নামৰ উদ্যান দিছিল। এই উদ্যানত কোনো বিহাৰ প্ৰতিষ্ঠা কৰা সম্বন্ধে হলে ক'তো একো উল্লেখ পোৱা নাযায়। বিম্বিসাৰ ৰজাই ৰুদ্ধ তথা ভিক্ষু সংঘক নিৰ্ভয়ে বেলুবনত থাকিবলৈ অনুজ্ঞা দিছিল ; বেলুবন দানৰ অৰ্থ তাকে বুলি ধৰি লব লাগিব। কিন্তু ইয়াৰ দ্বাৰা ভিক্ষু-সংঘৰ প্ৰতি যে বিম্বিসাৰৰ আদৰৰ ভাৱ আছিল তাক স্পষ্টভাৱে দেখা যায়।

**129. ৰজা প্ৰসেনজিৎ সম্পৰ্কে তলৰ কোনটো উক্তি শুদ্ধ নহয় ?**

(1) ৰজা প্ৰসেনজিতৰ অন্য নাম পসেনদি

(2) ৰজা প্ৰসেনজিৎ আছিল মগধৰ নৃপতি

(3) ৰজা প্ৰসেনজিতে যাগ-যজ্ঞত উৎসাহ দিছিল

(4) ৰজা প্ৰসেনজিতে শ্ৰমনসকলক নিজৰ ধৰ্মোপদেশ দিয়াৰ স্বাধীনতা দিছিল

**130. ৰেলুৰন কি ?**

(1) এখন উদ্যানৰ নাম

(2) ভিক্ষু-সংঘ

(3) এজন বৌদ্ধ শ্ৰমনৰ নাম

(4) দান পাত্ৰ

**131. 'দিনক দিনে' শব্দটোৱে কি অৰ্থ সূচায় ?**

(1) দোপত-দোপে

(2) দিনে-ৰাতিয়ে

(3) দিনৰ পাছত দিন

(4) প্ৰতিটো দিন

**132. 'পদাৰ্পণ' শব্দটো হৈছে _______ ৰ উদাহৰণ।**

(1) বিভক্তি

(2) বিশেষ্য পদ

(3) সন্ধি

(4) প্ৰত্যয়

**133. 'তত্ববোধৰ মধ্যম মাৰ্গ' কোনে ক'ত আৱিষ্কাৰ কৰিছিল ?**

(1) বুদ্ধদেৱে, বুদ্ধ পূৰ্ণিমাৰ নিশা আঁহত বৃক্ষৰ তলত

(2) বুদ্ধৰ পঞ্চশিষ্যই, বাৰানসীত

(3) ৰজা বিম্বিসাৰে, পাণ্ডৱ পৰ্বতত

(4) গৌতম বুদ্ধই, গয়াৰ নিকটৱৰ্তী উৰুৱেলত

**134. গৌতম বুদ্ধই কাৰ সৈতে ৰাজগৃহত পদাৰ্পণ কৰিছিল বুলি উল্লেখ কৰা হৈছে ?**

(1) ৰজা বিম্বিসাৰৰ সৈতে

(2) ৰজা প্ৰসেনজিতৰ সৈতে

(3) ভিক্ষু-সংঘৰ সকলো শ্ৰমনৰ সৈতে

(4) প্ৰথমতে উপদেশ দিয়া পাঁচজন শিষ্যৰ সৈতে

**135. গৌতম বুদ্ধক কোনে নিজৰ সেনাবাহিনীৰ উচ্চপদ যাচিছিল ?**

(1) মগধৰ ৰজাই

(2) কোসলৰ ৰজাই

(3) পাণ্ডুৰৰ সেনাপতিয়ে

(4) গৌতমৰ পিতৃয়ে

**Directions :** Answer the following questions by selecting the **most appropriate** options.

**136. শিশুৰ ভাষা আহৰণ প্ৰক্ৰিয়াটোত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে –**

(1) শিক্ষকে

(2) পৰিয়ালে

(3) বিদ্যালয়ে

(4) গণ মাধ্যমে

**137. ব্যাকৰণৰ নিয়মবোৰ মনত ৰখাই এই পদ্ধতিটোৰ সাৰ। পদ্ধতিটো হৈছে –**

(1) গঠনাত্মক পদ্ধতি

(2) প্ৰত্যক্ষ পদ্ধতি

(3) ব্যাকৰণ অনুবাদ পদ্ধতি

(4) প্ৰাকৃতিক পদ্ধতি

**138. ভাষা এটা শিকাৰ ক্ষেত্ৰত নিম্নলিখিত কোনটো গুৰুত্বপূৰ্ণ নহয় ?**

(1) প্ৰেৰণা

(2) আত্মবিশ্বাস

(3) শিকাৰ প্ৰতি আগ্ৰহ

(4) অনুবাদ

**139. শিশুক লিখিবলৈ শিকাওঁতে শিক্ষক গৰাকীয়ে কি কৰা উচিত ?**

(1) ভাষাটোৰ বৰ্ণমালা শিকোৱা

(2) শিশুক নিজৰ ভাববোৰ লিখিবলৈ সুযোগ দিয়া

(3) শিশুক ৰছনাখণ্ড বা দফা এটা প্ৰথমতে মুখস্থ কৰিবলৈ দি তাৰ পাছত সেই দফাটো ভাল হাতৰ আখৰেৰে লিখিবলৈ দিয়া

(4) ব্লেক বোৰ্ডত লিখা দিয়া আখৰবোৰ টুকি ল'বলৈ দিয়া

**140. শিক্ষাৰ্থীৰ কাৰণে শিকন-শিক্ষণ সামগ্ৰী (Teaching-Learning Material) বাচি লওঁতে কোনটো দিশত গুৰুত্ব দিব লাগে ?**

(1) সামগ্ৰীখিনি ওচৰৰ বজাৰত উপলব্ধ হোৱা উচিত

(2) সামগ্ৰীখিনি বেছি খৰচী হ'ব নালাগে

(3) সামগ্ৰীবোৰ ছাত্ৰ-ছাত্ৰীয়ে নিজেই তৈয়াৰ কৰা উচিত

(4) সামগ্ৰীখিনি প্ৰসংগ সংগত আৰু সংগঠিত ধৰণৰ হোৱা উচিত

**141. দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী কিছুমানে কিছুমান বিশিষ্ট ধ্বনি (phoneme) উচ্চাৰণ কৰাত অসুবিধা পাইছে । এই অসুবিধা দূৰ কৰিবৰ কাৰণে শিক্ষকে তলত দিয়া কোনটো কৌশল ব্যৱহাৰ কৰিলে আটাইতকৈ ফলপ্ৰসূ হ'ব ?**

(1) মানৱ বাগযন্ত্ৰৰ ছবি আঁকি উচ্চাৰণৰ স্থান সমূহ বুজাই দিয়া

(2) নূন্যতম বিৰোধী শব্দৰ যোৰা (minimal pair) ব্যৱহাৰ কৰি, অৰ্থাৎ ধ্বনিৰ মিল থকা একেধৰণৰ শব্দ উচ্চাৰণ কৰিবলৈ দি ছাত্ৰ-ছাত্ৰীক শব্দবোৰত থকা বিশিষ্ট ধ্বনিবোৰ চিনাক্ত কৰিবলৈ দিয়া

(3) বিশিষ্ট ধ্বনিবোৰৰ তলত আঁচ টানি সেইবোৰৰ ব্যৱহাৰ ব্যাখ্যা কৰি ডাঙৰকৈ শব্দ কৰি পাঠটো পঢ়া

(4) ছাত্ৰ-ছাত্ৰীবোৰৰ এই অসুবিধা দূৰ হোৱাকৈ বাৰম্বাৰ আঁওৰাই পঢ়াৰ অনুশীলন তথা অভ্যাস কৰোৱাৰ লাগে

**142. ব্যাকৰণৰ সূত্ৰসমূহ শিকোৱাত গুৰুত্ব দি বিভিন্ন উদাহৰণৰ সৈতে ব্যাকৰণ শিকোৱা পদ্ধতিটো হৈছে –**

(1) নিৰ্গম (inductive) পদ্ধতি

(2) আগম (deductive) পদ্ধতি

(3) ব্যাকৰণ অনুবাদ পদ্ধতি

(4) প্ৰত্যক্ষ পদ্ধতি

**143. ভাষা এটাৰ আহৰণ কেনেদৰে কৰা হয় ?**

(1) স্বাভাৱিক কথোপকথন বা আদান-প্ৰদানমূলক পৰিৱেশত ভাষাটো ব্যৱহাৰ কৰাৰ দ্বাৰা

(2) ভাষাটোৰ গঠন ব্যাখ্যা কৰি

(3) ভাষাটোৰ সাহিত্য পঢ়ি

(4) ভাষাটো কোৱা লোকসকলৰ কলা-সংস্কৃতিৰ বিষয়ে জনা / শিকাৰ দ্বাৰা

**144. সূক্ষ্ম মটৰ স্কিল (motor skill) বিকাশৰ এটা উদাহৰণ হৈছে –**

(1) বগোৱা

(2) জঁপিউৱা

(3) লিখা

(4) আবৃত্তি কৰা

**145. তলত উল্লেখ কৰা প্ৰশ্নবোৰৰ ভিতৰত শিক্ষকে সোধা কোনটো প্ৰশ্নই বা কাৰ্যই শ্ৰেণীত বহুভাষিকতা উৎসাহিত কৰে ?**

(1) বেলুন কিমান ওপৰলৈ উৰিব পাৰে ?

(2) শাক-পাচলিবোৰ নাম তোমাৰ নিজৰ ভাষাত লিখা

(3) তোমাৰ পোহনীয়া জীৱ-জন্তু আছেনে ?

(4) তুমি আখৰবোৰ লিখিলানে ?

**146. নিম্ন শ্ৰেণীৰ শ্ৰেণীকোঠাত ওমলা পদ্য বা ছন্দৰ মিল থকা পদ্যৰ ব্যৱহাৰ কৰিব লাগে। কাৰণ,**

(1) এনে পদ্যবোৰে শিকাৰুক লক্ষ্য ভাষাটো কোৱাৰ সুবিধা দিয়ে।

(2) এনে পদ্যবোৰে শিকাৰুক নিয়মানুৱৰ্তিতা শিকায়।

(3) এনে পদ্যবোৰৰ জৰিয়তে শিকাৰুৱে লক্ষ্যভাষাটোৰ ব্যাকৰণ শিকিব পাৰে।

(4) এনে পদ্যবোৰে শিকাৰুক জটিল শব্দবোৰ ব্যাখ্যা কৰি বাক্য গঠন কৰাত সহায় কৰে।

**147. এগৰাকী শিক্ষকে শ্ৰেণীকোঠাত শ্ৰৱণ কাৰ্য এটা কৰোৱাবলৈ লৈছে । এই কাৰ্যৰ বাবে শিক্ষকগৰাকীয়ে শিক্ষাৰ্থীক কিছুমান অন্বেষণমূলক প্ৰশ্নৰ দ্বাৰা আগ্ৰহ জন্মাব পৰা আৰু আলোচনা কৰিব পৰা মস্তিষ্কমন্থনকাৰী / মনোমন্থনকাৰী কাৰ্যৰ পৰিকল্পনা কৰিছে । শিক্ষক গৰাকীৰ এই প্ৰস্তুতি বা পৰিকল্পনা হৈছে –**

(1) পূৰ্ব-শ্ৰৱণ কাৰ্য

(2) শ্ৰৱণৰত কাৰ্য

(3) পশ্চ-শ্ৰৱণ কাৰ্য

(4) শ্ৰৱন কাৰ্যৰ পশ্চাদ ক্ৰিয়া

**148. ভাষাৰ শ্ৰেণীকোঠাত ছবি বা পোষ্টাৰ ব্যৱহাৰ কৰাৰ সন্দৰ্ভত তলত উল্লেখ কৰা কোনটো অশুদ্ধ ?**

(1) এই কাৰ্যই শিশুবোৰৰ ছবিবোৰ লক্ষ্য কৰিবলৈ সুযোগ দিয়ে

(2) এই কাৰ্যই শিশুহঁতক ছবিবোৰৰ আধাৰত লিখিবলৈ তথা নিজকে প্ৰকাশ কৰিলৈ সুযোগ দিয়ে।

(3) এই কাৰ্যই শিশুহঁতক কল্পনাৰ আৰু সৃষ্টিশীলতাৰ জগতখনত ঠাই দিয়ে।

(4) এই কাৰ্যই শিশুহঁতৰ শ্ৰৱণ ক্ষমতা বৃদ্ধি কৰাৰ সুযোগ দিয়ে

**149. সাক্ষৰতাৰ আদিস্তৰ বা উদ্গম পৰ্যায়ত _______ ও আনকি লিখনৰ অন্তৰ্গত হয়।**

(1) আখৰ সজা

(2) শব্দ লিখা

(3) বাক্য গঠন কৰা

(4) ছবি অঁকা

**150. শিক্ষাৰ্থীৰ ভাষা ব্যৱহাৰৰ মূল্যায়ন কৰোতে তলত উল্লেখ কৰা কোনটো আটাইতকৈ গুৰুত্বপূৰ্ণ ?**

(1) চেক লিষ্ট

(2) মূল্য মাপনী

(3) পত্ৰাধাৰ বা প'ৰ্টফলিঅ'

(4) আদান-প্ৰদান তথা কথোপকথন

## SPACE FOR ROUGH WORK

**তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়াঁ** :

1. ভিন ভিন প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষা-পুস্তিকাত দিয়া আছে । প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে এই পুস্তিকা মনোযোগেৰে পঢ়িবাঁ ।
2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে । শুদ্ধ উত্তৰটো OMR উত্তৰ পত্ৰৰ দ্বিতীয় পিঠিত নীলা/ক'লা বল পে'নেৰ ঘুৰণীয়াকৈ বোলাই দিয়া । এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিবৰ্তন কৰিব নোৱাৰা ।
3. উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব । পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন ।
4. প্ৰশ্নপত্ৰ আৰু উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা । কাৰণ প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰ দিয়া নহ'ব ।
5. পৰীক্ষা পত্ৰ/উত্তৰ পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবাঁ ।
6. OMR উত্তৰ পত্ৰত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰ দ্বাৰা পঢ়া হ'ব । সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নালাগিব ।
7. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মোবাইল ফোন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰে ।
8. ম'বাইল ফ'ন, যিকোনো বেতাঁৰ সংযোগ সঁজুলি (আনকি চুইট্‌শ্বড্ অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ লৈ অনাৰ অনুমতি নাই । এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষাগৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকে ধৰি কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব ।
9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব ।
10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব ।
11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ স্বাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব । যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত স্বাক্ষৰ নকৰে তেনেহলে উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব ।
12. ইলেক্ট্ৰনিক/হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব ।
13. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব । সকলো অনুচিত কাৰ্যৰবাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব ।
14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ আৰু উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব ।
15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পুৰ্বে উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব । পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে ।**

**निम्नलिखित निर्देशों को ध्यान से पढ़ें :**

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें ।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **काले/नीले बॉल पॉइन्ट पेन** से भरें । एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है ।
3. परीक्षार्थी सुनिश्चित करें कि इस उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ । परीक्षार्थी अपना अनुक्रमांक उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें ।
4. परीक्षा पुस्तिका एवं उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर पत्र के संकेत या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी ।
5. परीक्षा पुस्तिका / उत्तर पत्र में दिए गए परीक्षा पुस्तिका संकेत व संख्या को परीक्षार्थी सही तरीके से हाज़िरी-पत्र में लिखें ।
6. OMR उत्तर पत्र में कोडित जानकारी को एक मशीन पढ़ेगी । इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए ।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है ।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्वीच ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए । इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और उनके विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित ।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें ।
11. कार्यरत निरीक्षक को अपना उत्तर पत्र दिए बिना एवं हाज़िरी-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे । यदि किसी परीक्षार्थी ने दूसरी बार हाज़िरी-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा । **परीक्षार्थी अपने बाएँ हाथ के अंगूठे का निशान हाज़िरी-पत्र में दिए गए स्थान पर अवश्य लगाएँ ।**
12. इलेक्ट्रॉनिक / हस्तचालित परिकलक का उपयोग वर्जित है ।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी बोर्ड के सभी नियमों एवं विनियमों द्वारा नियमित हैं । अनुचित साधनों के सभी मामलों का फैसला बोर्ड के नियमों एवं विनियमों के अनुसार होगा ।
14. किसी हालत में परीक्षा पुस्तिका और उत्तर पत्र का कोई भाग अलग न करें ।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल / कक्ष छोड़ने से पूर्व उत्तर पत्र कक्ष-निरीक्षक को अवश्य सौंप दें । परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं ।**

**READ THE FOLLOWING INSTRUCTIONS CAREFULLY:**

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Black/Blue Ball Point Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet / Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the examination hall/ room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the examination halls/ rooms. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against them including cancellation of examination.
9. Each candidate must show on demand his / her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his / her seat.
11. The candidates should not leave the Examination Hall/ Room without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where a candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic / Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Board with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Board.
14. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Hall / Room.** ***The candidates are allowed to take away this Test Booklet with them.***